NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 07**-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসবাদ প্ৰতিৰোধৰ বাবে নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ প্ৰতিৰোধী নীতি আৰু কৌশল প্ৰস্তুত কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি থলুৱাভাৱে নিৰ্মিত বিমান পৰিবাহী যুদ্ধ জাহাজ আই এন এছ বিক্ৰান্তৰ পৰা নৌ সৈন্যবাহিনীৰ অভিযান প্ৰত্যক্ষ কৰে।

৩। উচ্চতম ন্যায়ালয়ে আজি চৰকাৰী চাকৰিৰ নিযুক্তিৰ নিৰ্ধাৰিত নিয়ম মাজতে সলনি কৰিব পৰা নাযায় বুলি ৰায় দিছে।

৪। অসমৰ ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাসো চেৰিং ট'বগে আজি বাক্সা জিলাৰ দৰঙাত এটা ইমিগ্ৰেচন তালাচী চকীৰ নতুন ভৱন যুটীয়াভাৱে মুকলি কৰে।

*আৰু*

৫। অষ্ট্ৰেলিয়া এ দলে মেলবৰ্নত অনুষ্ঠিত দ্বিতীয়খন অনানুষ্ঠানিক টেষ্ট মেচৰ প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত দুটা উইকেট হেৰুৱাই ৫৩ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসবাদ প্ৰতিৰোধৰ বাবে নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ প্ৰতিৰোধী নীতি আৰু কৌশল প্ৰস্তুত কৰিব। আজি নতুন দিল্লীত অনুষ্ঠিত দুদিনীয়া সন্ত্ৰাসবাদ বিৰোধী সন্মিলন, ২০২৪ উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা বিগত ১০ বছৰত চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে শ্ৰী মোদীৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা নীতিক বিশ্বৰ বিভিন্ন দেশে ভূয়সী প্ৰশংসা কৰিছে। যোৱা ১০ বছৰত দেশত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ এটা শক্তিশালী ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে কয়, যে ২০০৬ চনৰ পৰা ২০১৩ চনৰ সময়ছোৱাতকৈ ২০১৪ৰ পৰা ২০২১ চনলৈ দেশত সন্ত্ৰাসবাদজনিত ঘটনা ৭০ শতাংশ হ্ৰাস পাইছে।

*(বাইট)*

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত স্বাধীনতা লাভৰ পাছৰে পৰা দেশৰ আভ্যন্তৰীণ সুৰক্ষা আৰু সীমান্তৰ নিৰাপত্তা বৰ্তাই ৰখাৰ বাবে প্ৰাণ আহুতি দিয়া ৩৬ হাজাৰ ৪৬৮ গৰাকী আৰক্ষী কৰ্মীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় তদন্ত সংস্থা– এন আই এৰ উদ্যোগত এই দুদিনীয়া সন্মিলনখনৰ আয়োজন কৰা হৈছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গোৱাত থলুৱাভাৱে নিৰ্মিত বিমান পৰিবাহী যুদ্ধ জাহাজ আই এন এছ বিক্ৰান্তৰ পৰা নৌ সৈন্যবাহিনীৰ অভিযান প্ৰত্যক্ষ কৰে। তেওঁ বিমানবাহী যুদ্ধ জাহাজখনত জাহাজৰ পৰিচালনা, যুদ্ধৰ কৌশল, ছাবমেৰিনৰ অভ্যাস আদিৰ লগতে যুদ্ধ বিমানৰ উৰণ আৰু অৱতৰণ প্ৰত্যক্ষ কৰে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীক নৌবাহিনীৰ বিমান ঘাটী ডাবলীমত আই এন এছ হংসত অভিবাদন জনোৱা হয়।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ সতৰ্কতা সজাগতা সপ্তাহৰ অনুষ্ঠানক সম্বোধন কৰিব। কেন্দ্ৰীয় সতৰ্কতা আয়োগে চৰ্দাৰ বল্লবভাই পেটেলৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতিবছৰে এই সপ্তাহ পালন কৰে। এইবেলি ৰাষ্ট্ৰৰ সমৃদ্ধিৰ বাবে সততাৰ সংস্কৃতিৰ মূল মন্ত্ৰ্যৰে ২৮ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ এই সপ্তাহ পালন কৰা হয়।

০০০০০০০০

বৈদেশিত পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে দেশৰে আন্তঃগাঁথনি, উৎপাদন, দক্ষতা বিকাশ আৰু ডিজিটেল ৰূপান্তৰৰ দিশসমূহৰ কথা উল্লেখ কৰে। ছিডনীত আজি আগশাৰী ব্যৱসায়ী  আৰু কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে হোৱা বৈঠকত মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ ব্যৱসায় আৰু বিনিয়োগ বৃদ্ধিৰ ক্ষেত্ৰত উমৈহতীয়া কৌশলগত দ্বিপাক্ষিক সহযোগিতাই বিশেষ ভূমিকা পালন কৰে। অষ্ট্ৰেলিয়া ভ্ৰমণ কালত ড০ জয়শংকৰে ভাৰতীয় মূলৰ লোকসকলক সাক্ষাৎ কৰাৰ লগতে ছিডনীৰ নিউ ছাউথ ৱেলছৰ সাংসদ গৰাকীকো দেখা কৰে। তেওঁ দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত ভাৰতীয় সম্প্ৰদায়ে আগবঢ়োৱা অৱদানৰ শলাগ লয়।

০০০০০০০০

বিদেশ মন্ত্ৰালয়ে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সহযোগিতাক বহুমুখী আৰু বিশেষ বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সৈতে কথা পাতিছে আৰু উভয় দেশৰ মাজৰ সৰ্বাত্মক গোলকীয় আৰু কৌশলগত সহযোগিতা আগুৱাই নিবলৈ ভাৰত আগ্ৰহী বুলি অৱগত কৰিছে। তেওঁ কয় যে, ভাৰত আৰু আমেৰিকাই জনসাধাৰণৰ কল্যাণ আৰু শান্তি-সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে কাম কৰিব।

আফগানিস্তানলৈ মানৱীয় সাহায্য প্ৰদান সন্দৰ্ভত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে কয় যে দেশখনলৈ ৫০ হাজাৰ মেট্ৰিকটন ঘেহু, ৩০০ টন ঔষধ আৰু ২৮ টন ভূমিকম্পৰ সাহাৰ্য্য সামগ্ৰী যোগান ধৰা হৈছে।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি চৰকাৰী চাকৰিৰ নিযুক্তিৰ নিৰ্ধাৰিত নিয়ম মাজতে সলনি কৰিব পৰা নাযায় বুলি ৰায় দিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন পাঁচজনীয়া বিচাৰপীঠে আজি কয় যে, নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পূৰ্বে নিৰ্ধাৰণ কৰা নিয়ম মাজতে সাল-সলনি কৰিব পৰা নাযায়। বিচাৰপীঠখনে

লগতে বাচনিৰ নিয়ম স্বেচ্ছাচাৰী হোৱা উচিত নহয় আৰু এই নিয়ম সংবিধানৰ ১৪ নম্বৰ অনুচ্ছেদৰ অনুৰূপ হোৱা উচিত বুলি প্ৰকাশ কৰে।

সৰ্বোচ্চ ন্যায়ালয়ৰ বিচাৰপীঠখনে স্বচ্ছতা আৰু নিৰপেক্ষতা ৰাজহুৱা নিযুক্তি প্ৰক্ৰিয়াৰ পৰিচয় হোৱাৰ উচিত আৰু আধাতে নিয়ম সলনি কৰি প্ৰাৰ্থীসকলক কোনো ধৰণৰ অসুবিধাত পেলোৱা উচিত নহয় বুলিও মন্তব্য কৰে।

০০০০০০০০

অসমৰ ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাসো চেৰিং ট'বগে আজি বাক্সা জিলাৰ দৰঙাত এটা ইমিগ্ৰেচন তালাচী চকীৰ নতুন ভৱন যুটীয়াভাৱে মুকলি কৰে। ভাৰত আৰু ভূটানৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে স্থাপন কৰা এই আধুনিক চকীটোৰ নতুন ভৱনে দৰঙা সীমান্তইদি কৰা ভ্ৰমণ আৰু বাণিজ্যক সুশৃংখলিত কৰিব বুলি আশা কৰা হৈছে। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত ১৪ দশমিক ৫ একৰ ভূমি আৱৰি থকা এই ভূ-বন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, অসমৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু সাংসদ দিলীপ শইকীয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া ৰাজীৱ লোচন বৰঠাকুৰে আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ উপ-সঞ্চালক হিচাপে যোগদান কৰিছে। শ্ৰী বৰঠাকুৰে আকাশবাণী গুৱাহাটীৰ লগতে কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণন পৰিষদৰ গুৱাহাটীস্থিত কাৰ্যালয়তো আঞ্চলিক বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰিব। আজি কাৰ্যালয়ত যোগদান কৰাৰ পাছত তেওঁ আকাশবাণীৰ বাতৰি বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ আঞ্চলিক বাতৰিৰ মান উন্নত কৰাৰ ক্ষেত্ৰত বিভিন্ন বিষয় লৈ আলোচনা কৰে।

০০০০০০০০

আজি ষট্ পূজাৰ তৃতীয় দিন। ভক্তসকলে আজি নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়ায়। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাত কয় যে দেশৰ প্ৰাচীন উৎসৱসমূহৰ অন্যতম ষট্ পূজাত সূৰ্য দেৱতাৰ উপাসনা কৰা হয়। তেওঁ কয় যে এই উৎসৱৰ জৰিয়তে প্ৰকৃতিৰ অনন্য উপহাৰস্বৰূপ নৈ আৰু পুখুৰী আদিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয় আৰু কঠিন উপবাসৰ মাধ্যমেৰে মন আৰু আত্মাক শুদ্ধ কৰা হয়। এই উৎসৱে জনসাধাৰণক পৰিৱেশ সুৰক্ষিত কৰিবলৈ অনুপ্ৰাণিত কৰে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু ইয়াৰ ফলত প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, ষট সান্ধ্য অৰ্ঘ্য উৎসৱ সৰলতা, সংযম, সংকল্প আৰু নিষ্ঠাৰ প্ৰতীক। তেওঁ লগতে এই উৎসৱে সকলোৱে জীৱনলৈ আনন্দ, সমৃদ্ধি আৰু সৌভাগ্য কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০

ভাৰতীয় ৰে'লৱেই উৎসৱৰ বতৰত যাত্ৰীৰ সুবিধাৰ্থে কাইলৈৰ পৰা ১৬৪ খন বিশেষ ৰে'লগাড়ী চলাচলৰ ব্যৱস্থা কৰিছে। উৎসৱ পালনৰ পাছত নিজ নিজ ঘৰলৈ যাব বিছৰা যাত্ৰীসকল ইয়াৰ পৰা লাভান্বিত হ'ব। ৰে'লৱেই পৰৱৰ্তী তিনি দিনত প্ৰায় ৪৭৬ খন ৰে'লগাড়ী চলোৱাৰ পৰিকল্পনা কৰিছে।

০০০০০০০০

জম্মু-কাশ্মীৰৰ ৰিয়াছি জিলাত আজি এখন বাহন পথৰ পৰা এটা দ' খাৱৈত বাগৰি পৰাৰ ফলত চাৰিজন লোকে প্ৰাণ হেৰুৱায় আৰু ৪ জন আহত হয়। নিহতসকলৰ ভিতৰত এটি কিশোৰো আছে। আমাৰ সংবাদদাতাই জনাইছে যে দুৰ্ঘটনাৰ ফলত তিনিজন থিতাতে প্ৰাণ হেৰুৱাই আৰু এজনৰ চিকিৎসালয়ত মৃত্যু ঘটে।

০০০০০০০০

অষ্ট্ৰেলিয়া এ দলে মেলবৰ্ন ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত দ্বিতীয়খন অনানুষ্ঠানিক টেষ্ট মেচৰ আজি প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত দুটা উইকেট হেৰুৱাই ৫৩ ৰান সংগ্ৰহ কৰে। ঘৰুৱা দল অষ্ট্ৰেলিয়া ভাৰতৰ প্ৰথম ইনিংছতকৈ ১০৮ ৰান পিছ পৰি আছে। ইয়াৰ পূৰ্বে ভাৰতীয় এ দলে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৬১ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৮০ ৰান কৰে।

০০০০০০০০

সমাপ্ত